# অসম আদিত্য

১২ আহিন, ১৯৪৫ শক ■ শনিবাৰ, ৩০ ছেপ্টেম্বৰ, ২০২৩ ■ Asom Aditya, Dibrugarh, Saturday, September 30, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

নাবালে ভাৰতীয়
উত্তৰণৰ ক্ষেত্ৰত
া অৰিহণা তথা
আদৰ্শ প্ৰতিষ্ঠা
ল্লেখ কৰি তেওঁৰ
কৰ্তাসকলৰ প্ৰতি
ড় উপ-সভাপতি
ৰ উপ-সভানেত্ৰী
ৰ্তাসকলক দলীয়
ীকৰণৰ সন্দৰ্ভত
ায়ৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ
মণ্ডলৰ সাধাৰণ
য়া সকলৰ উপৰি
থাকে।

## ‘ডাউন ছিণ্ড্ৰম’ শীৰ্ষক এক মননশীল আলোচনা-চক্ৰ

**ডিব্ৰুগড়, ২৯ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ উদ্যোগত মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত ‘ডাউন ছিণ্ড্ৰম’ শীৰ্ষক এক আলোচনা-চক্ৰ আজি সম্পন্ন হয়। নৃতত্ত্ব বিভাগৰ অধ্যাপক ড০ ভাস্কৰ দাসে আঁত ধৰা আলোচনা-চক্ৰখনত মুখ্য বক্তা হিচাপে উপস্থিত থাকে অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপক ডাঃ গিৰিজানন্দ কুৰছে। কুৰছে কয়— ডাউন ছিণ্ড্ৰমত থকা ব্যক্তিসকলেও বিভিন্ন সময়ত নিজ নিজ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হয়। তাৰ বাবে সমাজে তেওঁলোকক প্ৰেৰণা যোগোৱাটো নিতান্তই প্ৰয়োজনীয় বুলি তেওঁ মন্তব্য কৰে। তেওঁ ডাউন ছিণ্ড্ৰমত ভোগা ব্যক্তিসকলেও কেনেদৰে নিজৰ পাৰদৰ্শিতা দেখুৱাই পৃথিৱীত তথা মানৱ সমাজত জিলিকি থাকিব পাৰে সেই বিষয়েও প্ৰেৰণাদায়ক এক ভিডিঅ’ প্ৰদৰ্শন কৰি সকলোকে আপ্লুত কৰে। নৃতত্ত্ব বিভাগৰ অধ্যাপিকা ড০ সুনন্দা চাহৰে মুখ্য বক্তাৰ চমু পৰিচয় দাঙি ধৰা আলোচনা-চক্ৰখনত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। বন্তি প্ৰজ্বলন আৰু নৃতত্ত্ব বিভাগৰ ছাত্ৰী জয়শ্ৰী গগৈয়ে পৰিৱেশন কৰা ‘তুমি চিত্ত বৃত্তি মোৰ’ প্ৰাৰ্থনাৰে শুভাৰম্ভ কৰা আলোচনা-চক্ৰখনত ছাত্ৰীগৰাকীয়ে অতি মননশীল তথা সাৱলীলভাৱে আগবঢ়োৱা প্ৰাৰ্থনাটোত মুগ্ধ হৈ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই এহাজাৰ টকা পুৰস্কাৰ প্ৰদান কৰাৰ লগতে ভৱিষ্যতেও এনেধৰণৰ আধ্যাত্মিক চিন্তা-চৰ্চাৰে সকলোকে আগবাঢ়ি যোৱাৰ পৰামৰ্শ আগবঢ়ায়। দিনৰ ১০ বজাৰ পৰা আৰম্ভ হোৱা আলোচনা-চক্ৰখনত শৈক্ষিক সমন্বয়ক ড০ অনন্ত কুমাৰ দত্ত, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ অনুপজ্যোতি ভৰালী, নৃতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ নৱমী তালুকদাৰকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে নৃতত্ত্ব বিভাগৰ অধ্যাপিকা ড০ নিতুমণি শইকীয়াই।

## নাহৰকাঁ... কলেজৰ ... ছাত্ৰ-ছাত্ৰী স... আয়োজ...

প্ৰতিবেদক, না...
ছেপ্টেম্বৰ ঃ
নাহৰকটীয়া মহাবিদ...
ছাত্ৰ-ছাত্ৰী সন্মিলন...
অক্টোবৰত দি...
কাৰ্যসূচীৰে প্ৰাক...